**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে নতুন দিল্লীত পথৰ নামকৰণৰ সিদ্ধান্ত লোৱাত প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰীক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ ধন্যবাদ জ্ঞাপন।

২। পঞ্চায়ত নিৰ্বাচন সুকলমে পৰিচালনা কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনৰ পৰ্যালোচনামূলক বৈঠক।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে বাসন্তী পূজা পালন।

৪। ৰঙালী বিহুলৈ মাজত এসপ্তাহ বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন স্থানত বিহুৰ আখৰা আৰু কৰ্মশালাৰ আয়োজন। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলত চানৰাইজাৰ্ছ হায়দৰাবাদ-গুজৰাট টাইটানছৰ মুখামুখি।

০০০০

নতুন দিল্লীৰ বড়োলেণ্ড ভৱনৰ সমীপৰ লালা লাজপত ৰায় পথৰ পৰা কৈলাশ কলনী ইউ টাৰ্নলৈ পথছোৱা বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে নামকৰণ কৰা হ'ব। তদুপৰি এই পথছোৱাত এটা বড়োফাৰ প্ৰতিমূৰ্তিও স্থাপন কৰা হ'ব। বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে দেশৰ ৰাজধানী চহৰৰ এই পথছোৱাৰ নামকৰণৰ সিদ্ধান্তক মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মাই আদৰণি জনাইছে। শ্ৰী ব্ৰহ্মাই এই সিদ্ধান্তৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। একেদৰে ৰাজ্যৰ বড়ো জনগোষ্ঠীৰ লোকসকলেও চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনাইছে। এই সিদ্ধান্তই বড়োফাৰ ভৱিষ্যদৰ্শী নেতৃত্ব আৰু জীৱনজোৰা সাধনাক স্বীকৃতি দিয়াৰ লগতে খিলঞ্জীয়া লোকসকলৰ বাবে তেওঁৰ সংগ্ৰামকো সন্মানিত কৰিছে বুলি সংগঠনসমূহে প্ৰকাশ কৰিছে।

০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ বাবে আজি শোণিতপুৰৰ তেজপুৰত জিলা আয়ুক্ত অংকুৰ ভড়ালীৰ অধ্যক্ষতাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থসহ জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, নিৰ্বাচনী বিষয়াৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। বৈঠকত নিৰ্বাচনী সময়সূচী, মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া, শপতনামা আৰু নিৰ্বাচনী প্ৰতীক বিতৰণৰ নিয়ম কানুন সন্দৰ্ভত আলোচনা কৰা হয়। আৰক্ষী অধীক্ষকগৰাকীয়ে আচৰণ বিধি মানি চলিবৰ বাবে ৰাজনৈতিক দলসমূহক আহ্বান জনায়। বৈঠকত প্ৰশাসনে অনুমোদন জনোৱা কৰ্মচাৰীসকলৰ তালিকা, প্ৰচাৰ সামগ্ৰীৰ অনুমোদিত মূল্য আৰু ভোটগ্ৰহণ কেন্দ্ৰৰ তালিকাও ৰাজনৈতিক দলসমূহক প্ৰদান কৰে। গোলাঘাট জিলা প্ৰশাসনেও পঞ্চায়ত নিৰ্বাচন সুকলমে পৰিচালনা কৰাৰ বাবে সাজু হৈছে। জিলাখনৰ বিভিন্ন স্থানত থকা মনোনয়ন কেন্দ্ৰসমূহত নিৰ্বাচনী বিষয়াসকল ব্যস্ত হৈ পৰিছে। এই সন্দৰ্ভত গোলাঘাটৰ আকাশবাণীৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয় ঃ

**বাইট**

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু অহা ২৪ এপ্ৰিলত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। তেওঁ ২৪ এপ্ৰিলত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ২০২৩ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত অংশ ল'ব। ইয়াৰ পাছত ৰাষ্ট্ৰপতিগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত ভাগ ল'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি জনতা ভৱন চৌহদৰ লোকসেৱা ভৱনত ৰাষ্ট্ৰপতিগৰাকীৰ আসন্ন ভ্ৰমণৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত বৈষ্ণৱ সংস্কৃতিৰ সমাহাৰ প্ৰতিফলিত কৰাৰ লগতে প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

০০০০

উত্তৰ-পূৱ সীমান্ত ৰে'লৱেৰ সুৰক্ষা বাহিনীয়ে যোৱা মাহত অভিযান চলাই ৭৫ লাখ টকাৰো অধিক মূল্যৰ নিষিদ্ধ সামগ্ৰী ৰে'লৰে পৰিসৰত জব্দ কৰে। বাহিনীয়ে এই সময়ছোৱাত চোৰাং সামগ্ৰী সৰবৰাহত জড়িত থকাৰ অভিযোগত ১৮ জন লোকক কৰায়ত্ত কৰে। তদুপৰি যোৱামাহত ৰে'লৱেৰ বিভিন্ন অঞ্চলত অভিযান চলাই বাহিনীয়ে ৭ জন দালালক কৰায়ত্ত কৰাৰ লগতে লোককেইজনৰ পৰা প্ৰায় ১ লাখ টকা মূল্যৰ ৩২ টা টিকট জব্দ কৰে।

০০০০

কাছাৰ আৰক্ষীয়ে নাবালিকাক বিক্ৰী কৰাৰ অভিযোগত ৰূপালী দত্ত নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। অভিযোগ অনুসৰি কাছাৰৰ গুমৰা চাহ বাগিছা অঞ্চলৰ এগৰাকী নাবালিকাক ৰাজস্থানত বিক্ৰীৰ চক্ৰান্ত কৰা হৈছিল। দীৰ্ঘদিন ধৰি পলাতক অৱস্থাত থকাৰ পিছত ৰূপালী দত্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। কাছাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই জানিবলৈ দিয়া অনুসৰি তেলেংগানাৰ ৰাজধানী হায়দৰাবাদৰ পৰা ৰূপালী দত্তক গ্ৰেপ্তাৰ কৰা হৈছে। শিলচৰৰ পৰা যোৱা আৰক্ষীৰ দলে ৰূপালীক গ্ৰেপ্তাৰ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধৰ্মীয় ৰীতি-নীতিৰে বাসন্তী পূজা পালন কৰা হৈছে। বাসন্তী পূজাৰ নৱমী তিথি উপলক্ষে কাছাৰৰ গাওঁ - চহৰত উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। শিলচৰৰ ৰাজহুৱা মণ্ডপত আয়োজিত বাসন্তী পূজাত বিশেষ যজ্ঞ কৰা হয়। লগতে যুৱক-যুৱতীৰ ঢোল বাদন আৰু ধুনুছি নৃত্য পৰিবেশন কৰে। শিলচৰৰ পঞ্চানন শিৱবাৰিত বিশ্ব হিন্দু পৰিষদৰ উদ্যোগত আয়োজিত বাসন্তী পূজাত ভক্তৰ ব্যাপক ভিৰ পৰিলক্ষিত হয়। একেদৰে ৰাম নৱমী উপলক্ষে কাছাৰ জিলাৰ বিভিন্ন অঞ্চলত বিশেষ পূজাৰ আয়োজন কৰা হয়।

সমগ্ৰ দেশৰ লগতে অসমতো ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী উদ্‌যাপন কৰা হৈছে। কামৰূপ জিলাৰ হাজোৰ পাকৰকোনাত দিনযোৱা কাৰ্যসূচীৰে ৰামনৱমী পালন কৰা হয়। ৰাম নৱমী উপলক্ষে পুৱা ধৰ্মধ্বজা উত্তোলন আৰু বন্তি প্ৰজ্বলন কৰা হয়। ৰাম নৱমী পূজাত বিভিন্ন প্ৰান্তৰ পৰা অহা আয়তীসকলে নাম প্ৰসংগ পৰিবেশন কৰে।

অযোধ্যাতো উলহ-মালহেৰে ৰাম নৱমী উদ্‌যাপন কৰা হৈছে। ৰাম জনমভূমি মন্দিৰত ৰাম নৱমী উপলক্ষে বিশেষ ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাম নৱমী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কয়, যে ভগৱান ৰামৰ জীৱনে সত্য, ধৰ্ম আৰু ন্যায়ৰ পথ অনুসৰণ কৰাৰ অনুপ্ৰেৰণা দিয়ে।

এই উৎসৱে নিষ্ঠা আৰু উৎসৰ্গাৰ মনোভাৱেৰে মানৱ জাতিৰ সেৱাৰ বাৰ্তা কঢ়িয়াই বুলিও ৰাষ্ট্ৰপতি মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক ত্যাগ আৰু নিস্বাৰ্থ প্ৰেমৰ প্ৰমূল্যৰাজি আকোৱালি ল'বলৈ উৎসাহিত কৰে।

00000

ভাৰতীয় জনতা পাৰ্টীৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দলৰ বশিষ্ঠ চাৰিআলিত থকা ৰাজ্যিক কাৰ্যালয়ত উদযাপন কৰা হয়। এই উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই দলীয় পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত যিসকল ব্যক্তিৰ ত্যাগ আৰু পৰিশ্ৰমৰ ফলত বিজেপি আজিৰ পৰ্যায়ত উপনীত হ'ল, সেইসকল ব্যক্তিৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিজেপিৰ অতীত ৰোমন্থন কৰে। তেওঁ কয়, যে দেশৰ ২১ খন ৰাজ্যত ভাৰতীয় জনতা পাৰ্টী আৰু মিত্ৰ দলে শাসন কৰাৰ লগতে দেশৰ ৭০ শতাংশ ভূখণ্ডত বিজেপি মিত্ৰজোটে জনসাধাৰণক সুশাসন প্ৰদান কৰিছে। ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে অসমকো এখন বিকশিত আৰু প্ৰগতিৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অসমৰ জনতাই দলটোৰ ওপৰত আস্থা আৰু বিশ্বাস ৰখা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকী প্ৰতিষ্ঠা দিৱসৰ এই ক্ষণত দলটোৰ প্ৰতিগৰাকী কাৰ্যকৰ্তালৈ শুভেচ্ছা জ্ঞাপন কৰে। আজিৰ এই প্ৰতিষ্ঠা দিৱসত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে কেইবাগৰাকীও দলৰ প্ৰাক্তন সভাপতি উপস্থিত থাকে।

আনহাতে কাছাৰ জিলাৰ শিলচৰতো বিজেপিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে বিজেপিৰ সদস্যসকলে ঘৰে ঘৰে দলীয় পতাকা উত্তোলন কৰাৰ লগতে স্বচ্ছ ভাৰত অভিযান আৰু শিলচৰ অসামৰিক চিকিৎসালয়ত ৰোগীৰ মাজত ফল-মূল বিতৰণ কৰে। এই বিশেষ দিনটোত কাছাৰ বিজেপিৰ কাৰ্যালয়ত এশৰো অধিক নতুন কৰ্মীয়ে বিজেপি দলত যোগদান কৰে।

00000

শিৱসাগৰ জিলাৰ ডিমৌ ৰাইচাই গ্ৰাম্য ক্ৰীড়াঙ্গন খেলপথাৰত আজি ৯ হাজাৰ ৯৯৯ গৰাকী মহিলাই একেলগে সমসাজত বিয়ানাম পৰিৱেশন কৰি অসম বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হয়। সুৰুজমুখী সন্মিলিত মহিলা সমাজৰ উদ্যোগত আৰু ডিমৌ সন্মিলিত নাৰী সমাজৰ সহযোগত আয়োজিত এই অনুষ্ঠানত অসম বুক অৱ ৰেকৰ্ডছৰ বিষয়ববীয়া উপস্থিত থাকে। হেৰাই যাবলৈ ধৰা বিয়ানামক পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে এই বিশেষ কাৰ্যসূচী আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

00000

ধেমাজি জিলাৰ চমৰাজানত অনুষ্ঠিত সদৌ চুতীয়া জাতি সন্মিলনৰ জিলা পৰ্যায়ৰ শতবাৰ্ষিকী সমাৰোহৰ আজি সামৰণি পৰে। আজি অন্তিম দিনা পানীতোলা স্বৰ্ণজ্যোতি হাইস্কুল খেলপথাৰৰ সাধনী মহাক্ষেত্ৰৰ পৰা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সদৌ ধেমাজি জিলা চুতীয়া জাতি সন্মিলনৰ উদ্যোগত এই শতাবাৰ্ষিকী সমাৰোহ অনুষ্ঠিত হৈছে।

00000

অসম সাহিত্য সভাৰ তৰফৰ পৰা আজি ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° শশীকান্ত শইকীয়াক আন্তৰাজ্যিক আৰু বিদেশ মৈত্ৰীবন্ধন উপ সমিতিৰ আহ্বায়কৰ দায়িত্ব অৰ্পন কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় উপ সভাপতি পদুম ৰাজখোৱাই শ্ৰীশইকীয়াক নিযুক্তি পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। শইকীয়াই নিযুক্তিপত্ৰ গ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ

গোস্বামী, উপ সভাপতি ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিত বৰা প্ৰমুখ্যে সকলো বিষয়ববীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ ডাবৰঘাটত দুদিনীয়াকৈ অনুষ্ঠিত সদৌ তিৱা ছাত্ৰ সন্থাই দ্বাদশ ত্ৰিবাৰ্ষিক সাধাৰণ অধিৱেশনৰ আজি সামৰণি পৰিছে। এই অধিৱেশনত ছাত্ৰ সংগঠনটোৰ পৰৱৰ্তী তিনিটা বৰ্ষৰ বাবে প্ৰশান্ত কোঁৱৰক সভাপতি আৰু তৰুণ মাডাৰক সম্পাদক হিচাপে লৈ ২১ জনীয়া নতুন সমিতিখন গঠন কৰা হয়। এই অধিৱেশনত তিৱা জনগোষ্ঠীক ষষ্ঠ অনুসূচিভুক্ত স্বায়ত্ত শাসন প্ৰদান, জনজাতীয় বেল্ট আৰু ব্লকসমূহ সংৰক্ষিত কৰি ভূমি অধিকাৰ প্ৰদানকে ধৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

০০০০

পৰম্পৰাগত অসমীয়া গহনাই জি আই টেগ অৰ্থাৎ ভৌগোলিক সূচাংক লাভ কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদচলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানটোৰ প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

বসন্তৰ আগমনত চৌদিশ সতেজ হৈ উঠাৰ সময়তে অসমীয়াই পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰাণৰ আপোন ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে। উজনিৰ পৰা নামনিলৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বাপতিসাহোন বিহু উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে।

DHOL MUSIC

এইবেলিও পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে অসমবাসীয়ে উৎসাহ-উদ্দীপনা বজাই ৰাখি বিহু পালন কৰিব। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেঁপাহৰ বিহুৱান বৈ-কাটি উলিয়াইছে। প্ৰযুক্তিয়ে পৰিৱৰ্তন সাধন কৰাৰ সময়তো গ্ৰামাঞ্চলৰ বহু ঠাইত ঢেঁকীৰ শব্দ শুনা গৈছে। মহিলাসকলে বিহুৰ সময়ছোৱাত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান যতনাই থোৱাৰ বাবে ঢেঁকীশালত ব্যস্ত হৈ পৰিছে। ইয়াৰ বিপৰীতে ঢুলীয়া-নাচনীসকলৰ বিহুৰ আখৰা প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ঠায়ে ঠায়ে বিহু ঢোলৰ চেও আৰু বিহুনামে চৌদিশ মুখৰিত কৰি তুলিছে। সদাব্যস্ত গুৱাহাটী মহানগৰবাসীও ব'হাগক আদৰাৰ বাবে সাজু হৈ উঠিছে। মহানগৰীত মুকলি বিহু উদযাপনৰ লগতে কেইবাখনো ঐতিহ্যমণ্ডিত বিহুতলীত মঞ্চ বিহু উদযাপনৰ প্ৰস্তুতিও প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গুৱাহাটীৰ লতাশিল, গণেশগুৰি, চানমাৰি, বেলতলা, ভৰলুমুখ আদি অঞ্চলত আড়ম্বৰপূৰ্ণভাৱে বিহু উদযাপন কৰা হ'ব। ইপিনে, মঞ্চবিহুত জনসাধাৰণক আমোদ দিয়াৰ বাবে শিল্পীসকলো সাজু হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহুৰ প্ৰস্তুতিৰ বাবে কৰ্মশালা, আখৰা আদি অন্তিম পৰ্যায়ত উপনীত হৈছে।

লখিমপুৰত ফাটবিহু সমিতিৰ উদ্যোগত বিহুনাচ আৰু ঢোলবাদনৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ঢকুৱাখনাৰ ফাটবিহু বাকৰিত আয়োজিত কৰ্মশালাত তিনি শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশ লৈছে। শোণিতপুৰ জিলাৰ ন-দুৱাৰ অঞ্চলৰ বালিজুৰি চাৰিগাঁও যুৱ সমাজৰ উদ্যোগত যোৱা ২৫ মাৰ্চৰ পৰা আয়োজিত বিহু কৰ্মশালাৰ কালি সামৰণি পৰে।

ইপিনে, সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰত পহিলা ব'হাগত হ'বলগীয়া মুকলি বিহুৰ বাবে আজি লাইখুঁটা স্থাপন কৰা হয়। বিহু নাচ গানৰ লগতে ব'হাগ বিহুৰ সৈতে জড়িত বিভিন্ন ৰীতি-নীতি পালনৰ বাবে ৰাজ্যবাসী সাজু হৈছে। গৰুবিহুৰ বাবে তৰালী পঘা প্ৰস্তুত কৰিবলৈ মৰাণৰ এখন গাঁৱৰ ৭০ টা পৰিয়াল অহৰ্নিশে ব্যস্ত হৈ আছে। প্ৰতিবছৰে এই লোকসকলে পৰম্পৰা বৰ্তাই

ৰাখি ফাগুন মাহৰ পূৰ্ণিমাত তৰা গছ সংগ্ৰহ কৰি পঘা প্ৰস্তুতকৰণৰ কাম আৰম্ভ কৰে। এইবেলিও গাঁওখনৰ লোকসকলে তৰালী পঘা পাইকাৰী দৰতো বিক্ৰী কৰিছে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। আজি এই উপলক্ষে আয়োজিত এখন সংবাদমেলত উদ্যোক্তাসকলে এই বিষয়ে সদৰি কৰি কয়, যে এইবেলি বিহু উদযাপন সমিতিৰ সৰ্বোচ্চ সন্মান ড° ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব। তিনিদিনীয়া কাৰ্যসূচীত হুঁচৰি, সাংস্কৃতিক সন্ধিয়া আৰু ১০ গৰাকী জ্যেষ্ঠ শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে সংবাদমেলত প্ৰকাশ কৰে।

০০০০

নুমলীগড় শাখা সাহিত্য সভাৰ উদ্যোগত আজি গুৱাহাটী উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত ড° কাজল শইকীয়াৰ 'প্ৰেমৰ পান্থশালা' শীৰ্ষক কাব্যপুথিখন উন্মোচন কৰা হয়। বিশিষ্ট কবি বিপুলজ্যোতি শইকীয়া, অতনু শইকীয়া, প্ৰশান্ত সাগৰ চাংমাই, ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্য, গীতিকাৰ, সাংবাদিক গৌতম শৰ্মা আৰু অভিনেতা প্ৰাঞ্জল শইকীয়াই কাব্যপুথিখন উন্মোচন কৰে। এই সংকলনখনত কবিগৰাকীৰ সামাজিক মাধ্যমত ইতিপূৰ্বে প্ৰকাশিত ৪০ টা কবিতা অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হবলগীয়া খেলত চানৰাইজাৰ্ছ হায়দৰাবাদ-গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু গুৱাহাটী ক্ৰীড়া সংস্থাৰ সহযোগত অনুষ্ঠিত সপ্তম বাৰ্ষিক অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট ছেম্পিয়নশ্বিপত ইটাখোলা এথলেটিক ক্লাবে খিতাপ অৰ্জন কৰিছে। জজ খেলপথাৰত আজি অনুষ্ঠিত ফাইনেলত ইটাখোলা এথলেটিক ক্লাবে তিৰংগা ক্ৰিকেট কোচিং চেণ্টাৰক ১ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি তিৰংগা ক্ৰিকেট কোচিং চেণ্টাৰে ৯৭ ৰাণ কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত ইটাখোলাই ৯ টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়।

০০০০

সমাপ্ত